# ০.০০ অৱতৰণিকা

**০.০১ বিষয়ৰ পৰিচয় ঃ**

সমাজ আৰু ভাষাৰ মাজত ওতঃপ্ৰোতঃ সম্পৰ্ক আছে। ভাষাৰ জৰিয়তে একোখন সমাজৰ ভাষাৰ বিবিধ সামাজিক সংগঠন তথা সামাজিক স্তৰ বিন্যাসৰ প্ৰতিফলন ঘটা পৰিলক্ষিত হয়। সমাজভাষাবিজ্ঞানী সকলে ভাষাৰ সাংগঠনিক দিশ সম্পৰ্কে সূক্ষ্মভাৱে বিচাৰ-বিশ্লেষণ আগবঢ়ায়। উল্লেখযোগ্য যে একেখন সমাজত বসবাস কৰা বিভিন্ন সামাজিক শ্ৰেণী, বিভিন্ন সম্প্ৰদায়, বয়স আৰু লিংগভেদে ভাষাৰ ব্যৱহাৰত পাৰ্থক্য পৰিলক্ষিত হয়। আপাত দৃষ্টিত এই পাৰ্থক্য সহজে চকুত নপৰে। লিংগগত ভাষিক পাৰ্থক্যসমূহো মূলতঃ সংস্কাৰজনিত নিষেধ, স্বভাৱগত আৰু সামাজিক কাৰণতে গঢ় লৈ উঠে। সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলে এই লিংগগত পাৰ্থক্যসমূহ স্পষ্টভাৱে চকুত পৰে।

সাহিত্যিক দৃষ্টিকোণৰ পৰা প্ৰাচীন ভাৰতত ৰচিত সংস্কৃত নাটকসমূহলৈ লক্ষ্য কৰিলে দেখা যায়, নাৰী-পুৰুষৰ ভাষাৰ ভিন্নতা সেই নাটকসমূহত বিদ্যমান। সংস্কৃত নাটকৰ সংলাপত নাৰী-পুৰুষৰ ভাষাৰ ব্যৱহাৰত যি পাৰ্থক্য নিৰ্দেশ কৰা হৈছিল সেই পাৰ্থক্য আজিও কোনো কোনো ক্ষেত্ৰত আমাৰ সমাজত পৰিলক্ষিত হয়। সমাজত পুৰুষ আৰু নাৰীৰ স্থান সুকীয়া হোৱাৰ দৰেই তেওঁলোকৰ কৰ্মক্ষেত্ৰও সুকীয়া। তদুপৰি মহিলাসকলৰ মাজত প্ৰচলিত নিজস্ব শব্দ, ৰূপ, প্ৰবাদ-প্ৰবচন, জতুৱা ঠাঁচ, সুৰ-লহৰ, উৎসৱ-অনুষ্ঠান আৰু তাৰ স'তে জড়িত গীত-মাত আদিৰ সংযোজনত মূল সমাজখনৰ ভিতৰতে 'নাৰী-সমাজ' এখনে মূৰ দাঙি উঠে। এই সমাজখনৰ নিজস্ব ৰীতি-নীতি আৰু স্বকীয় প্ৰকাশভংগীয়ে পুৰুষৰ ভাষাৰ পৰা পৃথক আন এক কথ্যৰূপৰ জন্ম দিয়ে যাক আমি 'নাৰী-ভাষা'ৰূপে অভিহিত কৰিব পাৰো। 'নাৰী-ভাষা'ই এটা জাতিৰ লোক-সংস্কৃতিৰ বহুবোৰ সমল সামৰি জাতিটোৰ সাংস্কৃতিক পৰিচয় বহন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে। সেই অনুসৰি সমাজ-ভাষাবিজ্ঞানৰ অন্যতম আলোচ্য বিষয় ভাষিক বৈচিত্ৰ্যৰ ভিতৰতে নাৰী-ভাষাও এক গুৰুত্বপূৰ্ণ আলোচনাৰ বিষয় হ'ব পাৰে।

অসমীয়া ভাষাৰ বহল ক্ষেত্ৰখনত শিৱসাগৰ জিলাৰ কথিত ভাষাৰ এক বিশেষ ভূমিকা আছে। আহোমৰ ৰাজত্বকালৰ পৰা ব্ৰিটিছৰ ৰাজত্বকাললৈ শিৱসাগৰ জিলাৰ কথিত ভাষাই এক

সুকীয়া মৰ্যাদা লাভ কৰিছিল। যাৰ ফলত অসমীয়া ভাষাৰ মান্য ৰূপটোত আজিও শিৱসাগৰ জিলাৰ কথিত ভাষাৰ প্ৰভাৱ স্পষ্ট। শিৱসাগৰ জিলাৰ শ'ল'গুৰি মৌজা জিলাখনৰ এটা ক্ষুদ্ৰ আঞ্চলিক ৰূপ। জিলাখনৰ ভাষিক স্বকীয়তা ৰক্ষাৰ ক্ষেত্ৰত শ'ল'গুৰি মৌজাত প্ৰচলিত ভাষাটোৰ এক বিশেষ ভূমিকা আছে। কিয়নো, এই অঞ্চলৰ নাৰী-ভাষাই শিৱসাগৰ জিলাৰ আঞ্চলিক ৰূপটোক সমৃদ্ধ কৰাৰ লগতে সুকীয়া ভাষিক ৰূপৰো প্ৰতিনিধিত্ব কৰিছে।

শ'ল'গুৰি মৌজাৰ বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্ম, বৃত্তিৰ মহিলাসকলৰ মাজত প্ৰচলিত প্ৰবাদ-প্ৰবচন, মাত-কথা, গালি-শপনি আদিত প্ৰকাশ পোৱা কথ্যৰূপটোৰ শব্দগত, ৰূপগত, সুৰ লহৰ আদিৰ বিশেষত্বই শ'ল'গুৰি মৌজাৰ নাৰী ভাষাটোক পৃথক ৰূপত তুলি ধৰিছে। তদুপৰি মৌজাখনৰ মহিলাসকলৰ মাজত প্ৰচলিত বিভিন্ন উৎসৱ-অনুষ্ঠানত ব্যৱহৃত গীত-মাত সমূহতো এনে বহু সুকীয়া শব্দ ব্যৱহাৰ হয় যিবোৰ সাধাৰণতে মান্য অসমীয়া ভাষা অথবা পুৰুষৰ ভাষাত শুনা নাযায়। বিশ্বায়নৰ ধামখুমীয়াত লোক-সংস্কৃতিৰ এনে বহু সমল লাহে লাহে হেৰাই যাবলৈ ধৰিছে। এনে সময়তে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত নাৰী আৰু পুৰুষৰ সামাজিক দূৰত্বও কমি অহাৰ লগে লগে নাৰী-পুৰুষৰ ভাষা ব্যৱহাৰৰ পাৰ্থক্যও কমি আহিছে। আধুনিক জীৱন যাত্ৰাত অভ্যস্ত হৈ পৰাৰ লগে লগে মহিলাসকলৰ ভাষিক স্বকীয়তা হেৰাই যোৱাৰ উপক্ৰম হৈছে। শ'ল'গুৰি মৌজাও তাৰ ব্যতিক্ৰম নহয়। সাম্প্ৰতিক সময়ত শ'ল'গুৰি মৌজাৰ কম সংখ্যক মহিলাৰ মাজতহে এক বিশেষ সুৰীয়া লহৰযুক্ত নাৰী ভাষাটোৰ ব্যৱহাৰ পৰিলক্ষিত হয়। শ'ল'গুৰি মৌজাৰ মহিলাসকলৰ মাজত প্ৰচলিত নাৰী-ভাষাৰ সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়নৰ জৰিয়তেহে ভাষাটোৰ সুকীয়া সুকীয়া ৰূপ বৈশিষ্ট্যসমূহ নিৰ্ণয় কৰাত সহায়ক হ'ব—সেই উদ্দেশ্য আগত ৰাখিয়ে 'শ'ল'গুৰি মৌজাৰ নাৰী ভাষা ঃ এক সমাজ ভাষাবৈজ্ঞানিক অধ্যয়ন' বিষয়টো বাছি লোৱা হৈছে।

**০.০২ লক্ষ্য আৰু উদ্দেশ্য ঃ**

নাৰী-ভাষাৰ অধ্যয়ন বৰ্তমান সময়ৰ এক অন্যতম গুৰুত্বপূৰ্ণ বিষয়। বিশ্বৰ বিভিন্ন প্ৰান্তত এই সম্পৰ্কে ইতিমধ্যে যথেষ্ট পৰিমাণে গৱেষণা-আলোচনা হৈছে যদিও অসমীয়া ভাষাত এই বিষয়ৰ গৱেষণা যথেষ্ট সীমিত। এই সম্পৰ্কত দুই এটা প্ৰবন্ধ পোৱা যায় যদিও সেইখিনি যথেষ্ট নহয়। গতিকে শ'ল'গুৰি মৌজাৰ নাৰী ভাষাক আধাৰ হিচাপে লৈ সামগ্ৰিকভাৱে নাৰী-ভাষাৰ বৈশিষ্ট্য, জাতিগত, সম্প্ৰদায়গত, বৃত্তিগত, ধৰ্মগত পাৰ্থক্য আৰু বয়স অনুসৰি নাৰী ভাষা ব্যৱহাৰৰ বৈশিষ্ট্য

আদি বিষয়সমূহ সমাজ ভাষাবিজ্ঞানৰ দৃষ্টিৰে উদ্‌ঘাটন কৰাৰ উদ্দেশ্যে ‘শ’ল’গুৰি মৌজাৰ নাৰী ভাষা ঃ এক সমাজভাষাবৈজ্ঞানিক অধ্যয়ন’ শীৰ্ষক বিষয়টো লৈ ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনৰ কাম হাতত লোৱা হৈছে। অঞ্চলভেদে ভাষাই সুকীয়া ৰূপ পৰিগ্ৰহণ কৰাৰ দৰেই লিংগভেদেও ভাষিক ৰূপ সুকীয়া হ’ব পাৰে। নাৰী-ভাষা যদিও লিংগ বৈষম্যৰ ফলশ্ৰুতি বুলি কোৱা হয় তথাপি ইয়াৰ সৃষ্টিত ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক বিভিন্ন কাৰক জড়িত হৈ থাকে। আমাৰ এই অধ্যয়নত এনে বিবিধ কাৰণ শ’ল’গুৰি মৌজাৰ নাৰী-ভাষাৰ অধ্যয়নৰ পৰিপ্ৰেক্ষিতত ফঁহিয়াই চোৱাৰ চেষ্টা কৰা হৈছে। তদুপৰি এই ভাষিক ৰূপৰ বৈচিত্ৰ্যৰ লগতে বৰ্তমানৰ নাৰী-ভাষাৰ ভাষিক অৱস্থিতি সম্পৰ্কে আলোকপাত কৰাটোও এই গৱেষণাৰ আন এক উদ্দেশ্য। বিশেষকৈ আলোচ্য মৌজাখনৰ মহিলাসকলৰ ভাষিক ৰূপৰ স্বকীয়তা নিৰ্ণয় কৰাৰ প্ৰযত্ন কৰা হৈছে।

**০.০৩ গৱেষণাৰ পদ্ধতি ঃ**

‘শ’ল’গুৰি মৌজাৰ নাৰী ভাষা ঃ এক সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়ন’ শীৰ্ষক গৱেষণা কাৰ্যত মূলতঃ দুটা পদ্ধতি অৱলম্বন কৰা হৈছে।

আমাৰ অধ্যয়নত প্ৰধানভাৱে বৰ্ণনাত্মক পদ্ধতি অৱলম্বন কৰি ভাষিক বিশেষত্বসমূহ বিশ্লেষণ কৰা হৈছে। তদুপৰি এই অধ্যয়নৰ মূল লক্ষ্য যিহেতু সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়ন, সেয়েহে সমাজ-ভাষাবৈজ্ঞানিক পদ্ধতিৰ আধাৰত তথ্যবোৰ জুকিয়াই চোৱা হৈছে। এই অধ্যয়নৰ ঘাই লক্ষ্য হ’ল অধ্যয়নৰ বাবে গ্ৰহণ কৰা বিষয়টো আৰ্থসামাজিক পটভূমিত থৈ তাৰ সামাজিক চৰিত্ৰ নিৰ্ণয় কৰা। (শইকীয়া ৫) অধ্যয়নৰ সৈতে জড়িত সমাজখনৰ আশা-আকাংক্ষা, সংস্কৃতি, ভাষাৰ ব্যৱহাৰ আৰু ভাষাৰ ওপৰত সমাজৰ প্ৰভাৱ আদি সকলো তথ্য সমাজভাষাবৈজ্ঞানিক অধ্যয়ন পদ্ধতিয়ে সংগ্ৰহ কৰি বিচাৰ-বিশ্লেষণ কৰে।

**০.০৪ তথ্য আহৰণৰ উৎস ঃ**

আমাৰ এই গৱেষণাৰ বাবে মূলতঃ দুটা উৎসৰ পৰা তথ্য আহৰণ কৰা হৈছে। মুখ্য আৰু গৌণ উৎস। মুখ্য উৎসৰ পৰা তথ্য আহৰণ কৰোঁতে তলত উল্লেখ কৰা কৌশলসমূহ প্ৰয়োগ কৰা হৈছে—

**(ক) ক্ষেত্ৰভিত্তিক অধ্যয়ন ঃ**

শ'ল'গুৰি মৌজাৰ চাৰিসীমাই সামৰি লোৱা আঠাইছখন ৰাজহ গাঁৱৰ নাৰীসকলৰ পৰা ক্ষেত্ৰক্ষিভিত্তিক অধ্যয়নৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। প্ৰয়োজন অনুসৰি মৌজাটোৰ কেইবাজনো বিজ্ঞ পুৰুষৰ পৰাও তথ্য সংগ্ৰহ কৰা হৈছে।

**(খ ) সাক্ষাৎকাৰ গ্ৰহণ ঃ**

মৌজাটোৰ নাৰীসকলৰ পৰা দুইধৰণে সাক্ষাৎকাৰ গ্ৰহণ কৰি প্ৰয়োজনীয় তথ্য আহৰণ কৰা হৈছে।

**মৌখিক ঃ** মহিলাসকলক তেওঁলোকৰ দৈনন্দিন জীৱন, পৰিয়াল, বৃত্তি, জাতি আৰু ধৰ্ম অনুসৰি তেওঁলোকৰ স্বকীয় নিয়ম-নীতি, পৰম্পৰা, সংস্কৃতি আদি সম্পৰ্কে সোধা প্ৰশ্নৰ উত্তৰত তেওঁলোকে আগবঢ়োৱা তথ্যসমূহৰ পৰা অধ্যয়নৰ বাবে প্ৰয়োজনীয় তথ্যসমূহ বাছি লোৱা হৈছে।

**লিখিত ঃ** সাক্ষৰ মহিলাসকলক একোখনকৈ প্ৰশ্নসূচী দিয়া হৈছে। য'ত তেওঁলোকৰ দৈনন্দিন জীৱন, তেওঁলোকে সততে ব্যৱহাৰ কৰা প্ৰবাদ-প্ৰবচন আৰু মৌখিক গীত-মাত সম্পৰ্কে বিভিন্ন ধৰণৰ প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ উপৰিও আৰু কিছুমান প্ৰশ্ন যেনে—তেওঁলোকৰ দৃষ্টিত মহিলাৰ ভাষা ব্যৱহাৰৰ সুকীয়া বৈশিষ্ট্য আছেনে? যদি আছে সেইবোৰ কেনেধৰণৰ আৰু বয়সে মহিলা সকলৰ ভাষা ব্যৱহাৰত পাৰ্থক্যৰ সৃষ্টি কৰে বুলি তেওঁলোকে ভাবেনে? এনেধৰণৰ প্ৰশ্নৰ উত্তৰ হিচাপে সাক্ষৰ মহিলাসকলে আগবঢ়োৱা মতামতৰ পৰা নাৰী-ভাষাৰ সম্বন্ধীয় বহুতো তথ্য উদ্ধাৰ কৰা হৈছে।

**(গ) পৰ্যবেক্ষণ পদ্ধতি ঃ**

মহিলাসকলক সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিও নাৰী-ভাষাৰ বহুতো তথ্য পোৱা গৈছে। এই পৰ্যবেক্ষণ কেতিয়াবা মহিলাসকলৰ জ্ঞাতে আৰু আন কেতিয়াবা মহিলাসকলৰ অজ্ঞাতে কৰা হৈছে।

আনহাতে, গৌণ উৎসৰূপে নাৰী-ভাষা সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ, প্ৰবন্ধ, Internet আদিৰ সহায় লোৱা হৈছে।

**০.০৫ অধ্যয়নৰ ক্ষেত্ৰ ঃ**

গৱেষণাৰ বাবে শিৱসাগৰ জিলাৰ শ'ল'গুৰি মৌজাৰ আঠাইছখন (২৮) ৰাজহ গাৱঁক অধ্যয়নৰ ক্ষেত্ৰ হিচাপে বাচি লোৱা হৈছে। এই গাঁওসমূহ হ'ল—বেজগাঁও, ডিমৌপথাৰ, শ'ল'গুৰি,

লোণপুৰীয়া, জয়সাগৰ, বৰপাত্ৰ, দেৰলীয়া গায়ন, ভৰলুৱা, শেনচোৱা, নামদঙীয়া, নামতিয়াল, গনক, অভয়পুৰীয়া, কুকুৰাচোৱা, চিৰাখুন্দা, গড়কাষৰীয়া, আইলা হাবি, নামদাং কুমাৰ, চেতিয়া চাংমাই, জেৰেঙা হাবি, ৰুদ্ৰসাগৰ, খেমদৈ পুখুৰী, পৰ্বতীয়া ঘোঁৰাচোৱা, চামগুৰি, বেলিমুখীয়া, নামতি পথাৰ, মাউত আৰু খনিকৰ। এই গাঁওসমূহত অতীজৰে পৰা বিভিন্ন জাতি-জনগোষ্ঠীয়ে সমিল-মিলেৰে বসবাস কৰি আহিছে। তাৰ ভিতৰত আহোম, কোচ, কলিতা, চুতীয়া, নাথ, কৈৱৰ্ত, ব্ৰাহ্মণ, মহন্ত আদিয়ে প্ৰধান। বৃত্তিৰ ফালৰ পৰা কমাৰ আৰু কুমাৰ এই দুই বৃত্তিগত জাতি মৌজাটোত পোৱা যায়। ধৰ্মৰ দিশেৰে দুটা ধৰ্মৰ লোক মৌজাটোত পোৱা যায়—হিন্দু আৰু মুছলমান। সমল সংগ্ৰহৰ ক্ষেত্ৰত এই আটাইবোৰ জাতি, ধৰ্মৰ মহিলাক সামৰি লোৱা হৈছে। সাম্প্ৰতিক সময়ত নাৰী-ভাষাৰ ক্ষেত্ৰত বয়স, বৃত্তি আৰু সাক্ষৰতা গুৰুত্বপূৰ্ণ মাপকাঠি। সেই কথাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন বয়স, সাক্ষৰ, নিৰক্ষৰ আৰু বিভিন্ন বৃত্তিৰ (কৃষিজীৱি, চাকৰিজীৱি, গৃহিণী আৰু অন্যান্য) মহিলাসকলৰ পৰা সাক্ষাৎকাৰ আৰু পৰ্যবেক্ষণৰ জৰিয়তে সমল সংগ্ৰহ কৰা হৈছে। এই গৱেষণাৰ বিষয় যিহেতু শ'ল'গুৰি মৌজাতেই সীমাবদ্ধ সেয়েহে কেৱল শ'ল'গুৰি মৌজাত বসবাস কৰা মহিলাসকলৰ পৰাহে সমল সংগ্ৰহ কৰা হৈছে।

শিৱসাগৰ জিলাত আহোম ৰাজত্বৰ প্ৰভাৱ আজিও সু-স্পষ্ট। বিশেষকৈ আহোম স্বৰ্গদেউসকলৰ দিনৰে পৰা গঢ় লৈ উঠা সামাজিক আৰু সাংস্কৃতিক একতা আজিও শিৱসাগৰ জিলা তথা শ'ল'গুৰি মৌজাত বিদ্যমান। ব্ৰিটিছ শাসনকালত হোৱা সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক পৰিৱৰ্তনে পূৰ্বৰ পৰম্পৰাত আঁচোৰ পেলাব নোৱাৰিলে যদিও আন আন দিশৰ লগতে ভাষাৰ ক্ষেত্ৰত কিছু নতুনত্ব আনিলে। এই নতুনত্বই মৌজাটোৰ নাৰী ভাষাকো স্বাভাৱিকতেই প্ৰভাৱিত কৰিলে। এই সকলোবোৰ দিশৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰা হৈছে।

শ'ল'গুৰি মৌজাৰ প্ৰত্যেকটো জাতি, ধৰ্ম, বৃত্তিৰে সুকীয়া ভাষিক বৈশিষ্ট্য আছে। শব্দ, সুৰ লহৰ, গালি-শপনি, নীতি-নিয়ম আৰু গীত-মাত আদিৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা সৰু-সুৰা পাৰ্থক্যবোৰে প্ৰত্যেকৰে স্বকীয়তা ৰক্ষা কৰিছে। কিন্তু, বহু বছৰ ধৰি ওচৰা-ওচৰিকৈ বসবাস কৰাৰ ফলত এই পাৰ্থক্য সমূহ লাহে লাহে জীন যাবলৈ ধৰিছে। এইখিনিতে উল্লেখযোগ্য যে, আন ঠাইৰ পৰা বিবাহসূত্ৰে শ'ল'গুৰি মৌজালৈ অহা নাৰীসকলে নিজ ঠাইৰ নাৰী-ভাষাৰ ভাষিক বৈশিষ্ট্য লৈ অহাৰ ফলত কেতিয়াবা ভাষাটোত নতুন বৈশিষ্ট্যৰো সংযোজন ঘটিছে। এনে বিষয়কো আমাৰ গৱেষণাৰ আলোচ্য পৰিসৰত সোমাই লোৱা হৈছে।

**০.০৬ পূৰ্বকৃত অধ্যয়ন ঃ**

স্ত্ৰী ভাষা অধ্যয়ন বৰ্তমান সময়ৰ এক গুৰুত্বপূৰ্ণ গৱেষণাৰ বিষয়। বিশ্বৰ বিভিন্ন প্ৰান্তত এই সম্পৰ্কে গৱেষণা-আলোচনা ইতিমধ্যে হৈছে যদিও অসমীয়া ভাষাত নাৰী-ভাষা বিষয়ক গৱেষণা যথেষ্ট সীমিত। অসম সাহিত্য সভা পত্ৰিকাৰ ২০০৯ চনৰ জুন মাহৰ নাৰী বিশেষ সংখ্যাত ড° ৰমেশ পাঠকে লিখা এটি মূল্যৱান প্ৰবন্ধ ঃ 'সমাজত নাৰীৰ ভাষাৰ স্বকীয়তা বিচাৰ'ত নাৰী-ভাষাৰ গুৰুত্ব আৰু বৈশিষ্ট্য সম্পৰ্কে বিস্তাৰিতভাৱে আলোচনা কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ অধীনত চিন্তামণি দাসৰ এম. ফিল. ডিগ্ৰীৰ আংশিক প্ৰয়োজনপূৰ্তিৰ বাবে প্ৰদত্ত গৱেষণা গ্ৰন্থ 'বজালী অঞ্চলৰ স্ত্ৰী-ভাষা'ত অঞ্চলটোৰ স্ত্ৰী ভাষাৰ সুকীয়া বৈশিষ্ট্যসমূহৰ লগতে ভাষিক আৰু সাংস্কৃতিক দিশসমূহৰো বিতং আলোচনা আগবঢ়াইছে। বাংলা ভাষাত ২০০০ চনৰ জানুৱাৰী মাহত প্ৰকাশ হোৱা শৰ্মিলা বসুদত্তৰ 'বাংলায় মেয়েদের ভাষা' গ্ৰন্থত নাৰী-ভাষাৰ ধ্বনিৰ ব্যৱহাৰ, বাক্যবিন্যাস পদ্ধতি, প্ৰবাদৰ ব্যৱহাৰ, টাব্যুৰ প্ৰয়োগ আদি আলোচনা কৰাৰ লগতে উপভাষা হিচাপে নাৰী-ভাষাৰ আলোচনা আগবঢ়াইছে। কিন্তু, এই সকলোবোৰ আলোচনাত সমাজবৈজ্ঞানিক প্ৰেক্ষাপটত নাৰী-ভাষাৰ বিশ্লেষণ কৰা হোৱা নাই।

**০.০৭ প্ৰমেয় ঃ**

শ'ল'গুৰি মৌজাৰ নাৰী-ভাষা ঃ এক সমাজ ভাষাবৈজ্ঞানিক অধ্যয়ন' শীৰ্ষক আমাৰ এই গৱেষণা কাৰ্যৰ জৰিয়তে শ'ল'গুৰি মৌজাৰ ভাষিক আৰু সামাজিক বহুবোৰ দিশ পোহৰলৈ অহাৰ সম্ভাৱনা আছে। সেই দিশৰ পৰা আমি কেইটামান প্ৰাক্-কল্পনা নিৰ্দেশ কৰিব পাৰো—

১। শ'ল'গুৰি মৌজাৰ নাৰী-ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত স্বকীয় বিশেষত্ব বিদ্যমান।

২। জাতিগত, ভাষিক, আৰ্থিক, সামাজিক বৈচিত্ৰ্যই শ'ল'গুৰি মৌজাৰ নাৰী-ভাষাৰ ওপৰত প্ৰভাৱ পেলাইছে।

৩। মৌজাখনৰ বিভিন্ন জাতিৰ সাংস্কৃতিক বৈচিত্ৰ্যই নাৰী-ভাষাক বৈশিষ্ট্যপূৰ্ণ ৰূপত তুলি ধৰিছে।

৪। ধৰ্ম, বৃত্তি, সাক্ষৰতা বয়স আদিয়ে মৌজাখনৰ নাৰী-ভাষাক প্ৰভাৱিত কৰিছে।

৫। আধুনিক জীৱন-যাত্ৰাৰ বৰ্ণাঢ্য ৰূপে নাৰী-ভাষাক প্ৰভাৱিত কৰিছে।

৬। বাহিৰৰ পৃথিৱীখনৰ সৈতে নাৰীসকলৰ যোগাযোগ বৃদ্ধি আৰু পুৰুষৰ সৈতে সম

মৰ্যাদাপূৰ্ণ জীৱন যাপনৰ ফলত নাৰী-ভাষা প্ৰভাৱান্বিত হৈছে।

সামগ্ৰিকভাৱে উক্ত প্ৰমেয়ক আধাৰ কৰি আমাৰ গৱেষণা কৰ্মটি বিশ্লেষণাত্মক ৰূপত প্ৰতিভাত কৰাৰ প্ৰয়াস কৰা হৈছে।

**প্ৰসংগসূচী ঃ**

১। নগেন শইকীয়া, গৱেষণা পদ্ধতি পৰিচয়, পৃ. ৫